# আমাক এটা ৰাস্তা লাগে
## জুবিন গাৰ্গ

কাৰ্বি আংলঙৰ ডকমকাত যিটো ঘটনা সংঘটিত হ'ল, সেইটো বৰ দুৰ্ভাগ্যজনক। একবিংশ শতিকাৰ দ্বিতীয় দশকতো কেনেদৰে আমাৰ মানুহবোৰ অন্ধবিশ্বাসৰ দৰে অযুক্তিকৰ সমস্যাৰে ভাৰাক্ৰান্ত হৈ আছে, সেয়া দেখি চিন্তাই হৈছে। ডেকা ল'ৰা দুজনক তেনেদৰে এজুম মানুহে আগ-গুৰি নভৰাকৈ মৰিয়াই মৰিয়াই মাৰি পেলালে — সেয়া দৃশ্য কোনোবাই চাব পাৰিব জানো?

কিন্তু নীলোৎপল আৰু অভিজিতৰ লগত যিটো হ'ল সেইটো কাইলৈ আপোনাৰ বা মোৰ লগতো হ'ব পাৰে। এই ঘটনাটোক সকলোৰে এটা শিক্ষা হিচাপেই গ্ৰহণ কৰক। শিক্ষাৰ অভাৱ, অন্ধবিশ্বাস আৰু মূৰ্খতাৰ বাবেই ডেকা ল'ৰা দুটাৰ মৃত্যু হ'ল। লিখা-পঢ়া কৰি নিজৰ চহীটো মাৰিব পাৰিলেই কোনো শিক্ষিত হৈ নাযায়। শিক্ষিত হোৱা মানে চিন্তা কৰাৰ শক্তি আহৰণ কৰা। এনেকুৱা লাগে যেন স্কুল-কলেজ খুলি সেই মানুহবোৰক নাম লগোৱাৰ ব্যৱস্থা কৰা হৈছে যদিও কোনোবাই যেন তেওঁলোক পঢ়ি-শুনি স্বাধীন হোৱাটো বিচৰা নাই। ৰাস্তা-ঘাটবোৰো বেয়া। তেওঁলোকক আঁতৰাই ৰখা হৈছে। এই কথাবোৰ বিচাৰ হ'বই লাগিব।

এজন পুলিচ বিষয়াই ভিডিঅ' লৈ থকাৰ ফুটেজ দেখিছোঁ। তেখেতৰ দায়িত্ব কি আছিল? জাতি বা ঠাইখন লৈ কথা নাই — মানুহৰ প্ৰতি মানুহৰ ভালপোৱা যে টুটি আহিছে — সেই পুলিচ বিষয়াজনেই তাৰ প্ৰমাণ। তেখেতৰ বিপক্ষে তৎক্ষণাৎ বিচাৰ কৰিব লাগে প্ৰশাসনে। তেনে লোক সাৰি যাব নাপায়।

সোপাধৰাৰ দৰে অদ্ভুত কথা এটা বিশ্বাস কৰি ল'ৰা দুটাক মাৰি পেলোৱা হ'ল। এই সোপাধৰাৰ উৰাবাতৰিটো কোনো প্ৰচাৰ কৰিছিল? কিয় কৰিছিল? সেইবোৰ কথাও বিচাৰ হ'ব লাগে। এনে প্ৰচাৰৰ কিবা ভিত্তি আছে জানো? যদি ভিত্তিয়েই নাই — তেনেহ'লে তেনে প্ৰচাৰৰ উদ্দেশ্য কি আছিল?

ঘটনাটোৰ পিছত ব্ৰহ্মপুত্ৰ উপত্যকাৰ বহুতেই কাৰ্বি আংলং জিলাখনক বা বিশেষ এটা জনজাতিৰ লোকক আক্ৰমণ কৰিছে। এইটো বেয়া কথা। গুৱাহাটীত এনে ঘটনা বহুত কেইটা হৈছে। লক্ষ্মী ওৰাঙক বেলতলাত চোঁচৰাই চোঁচৰাই লৈ যোৱা হৈছিল। তেতিয়া গুৱাহাটীখন বৰ্বৰ আৰু অসভ্য হৈ গৈছিল নেকি? মই তেতিয়াও অপৰাধৰ বিৰুদ্ধে আৰু মানুহৰ জীৱনৰ সপক্ষে মাত মাতিছিলোঁ। আজিও সেই কাৰণেই আঘাত পাইছোঁ। অপৰাধক সম্প্ৰদায় এটাৰ সৈতে সাঙুৰি মূল ইছ্যুৰ পৰা পলাই যাতে কোনো নাযায় — সেয়া আহ্বান জনাইছোঁ।

মোৰ কোনো কোনো বন্ধুৱে ইয়াত ৰাজনৈতিক ৰহস্যৰো গোন্ধ পাইছে। হ'বও পাৰে — ক'বতো নোৱাৰি। আজিকালি দুটা সম্প্ৰদায়ৰ মাজত কাজিয়া লগাই ৰাজনৈতিক লাভ বিচৰা মানুহেই বেছি। তেনেকৈ নিৰ্বাচনো জিকিছে বিভিন্ন ঠাইত। সেইটো হৈছে যদি আৰু বেছি সাৱধান হ'ব লাগে। ৰাজনীতি কৰা মানুহে নীতি কি বুজি নোপোৱা হ'ল — শিক্ষাৰ পোহৰ নপৰা এখন ঠাইৰ মানুহক মদ-পানী খুওৱাই, টকা-পইচা দি অনৰ্থক কাৰোবাক মাৰিবলৈ প্ৰৰোচিত কৰাটো খুব আচৰিত যেন নালাগে দেখোন আজিৰ সময়ত! ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আৰু নাগৰিকত্ব সংশোধনী বিধেয়কখনৰ কথাও জড়িত আছে বুলি কোনোবাই কোনোবাই কৈছে। সেইকাৰণেই আমি যাতে ভ্ৰাতৃঘাতী সংঘৰ্ষত লিপ্ত নহওঁ — তাৰ প্ৰতি সজাগ থাকিব লাগে।

যি কাৰণতেই নহওক — ল'ৰা দুটা অকাৰণতে মৰিল। দোষীয়ে শাস্তি পাবই লাগিব। কাৰ্বি আংলঙৰ ঘটনাটোক লৈ আজি আমি জজ ফিল্ডত মৌন প্ৰতিবাদত সন্মিলিত হৈছোঁ। আমি ন্যায় বিচাৰিছোঁ।

মৌন কিয়?

কাৰণ অনৰ্থক চিঞৰ-বাখৰ কৰি চিন্তা কৰাৰ পৰিৱেশ নষ্ট কৰিব খোজা নেতা বা ৰাজনীতিক আমি নহওঁ। আমি শান্তিৰে চিন্তা কৰাৰ সময় এয়া। বগা ৰংটোত যেনেকৈ আটাইবোৰ ৰং লুকাই থাকে — আমাৰ মৌনতাও তেনেদৰে সৰৱ। আশাৰ সৰৱ নৈ!

এই ঘটনাটোৰ পৰা আমি শিক্ষা লওঁ আহক। অন্ধবিশ্বাস, কুসংস্কাৰ, বিভেদৰ ৰাজনীতি, শিক্ষাৰ অভাৱ, বিবেকহীনতা — এই আটাইবোৰ সমস্যাৰ বিৰুদ্ধে চিন্তা কৰি সঠিক ৰাস্তা এটা বিচাৰিব লাগে। ৰাস্তা বিচৰাৰ হাবিয়াস নাথাকিলে এনেই ৰাস্তাত বহি লাভ নাই।

আমাক এটা নতুন ৰাস্তা লাগে —